# তীব্ৰবেগী জীৱন পৰিক্ৰমাত নৱ প্ৰজন্মৰ দৰ্শন

দুৰন্ত গতিৰে গাৰ কাষেৰে পাৰ হৈ যোৱা মটৰ চাইকেলখনৰ গুম্‌গুমণিয়ে হৃদয়ত এক কঁপনি তুলি যায়। ক'ৰবাত যেন আকৌ সলিল সমাধি নঘটক এক নৱ-যৌৱনৰ। পিষ্ট হৈ নাযাওক এক জীৱন্ত স্বপ্নৰ। চকুৰ আঁৰ নোহোৱালৈ চাই ৰওঁ পোন এটি পথত সৰ্পিল গতিৰে আগবঢ়া এটি যান্ত্ৰিক সৰীসৃপলৈ। জীৱন-মৃত্যুৰ সীমাৰেখাৰ দুয়োটা পাৰ স্পৰ্শ কৰি কৰি আগবঢ়া সেই সুচতুৰ শিল্পীলৈ। মুগ্ধতাই আড়ষ্ট কৰি পেলাব খোজাৰ সময়তে মনলৈ আহে কাৰ বাবে এয়া ভয়ংকৰ আয়োজন। কাৰ প্ৰয়োজনত এনে এক ভয়ংকৰ খেলৰ অৱতাৰণা? এয়া মৃত্যুৰ প্ৰতি প্ৰদৰ্শন কৰা চূড়ান্ত স্পৰ্দ্ধা নে জীৱনৰ প্ৰতি প্ৰকাশ কৰা তীব্ৰ অনীহা। দোদুল্যমান স্থিতিত আমিবোৰ। মই, দুৰন্ত সেই যৌৱনবোৰ, আনকি জীৱন আৰু মৃত্যুও।

☐ জিতুমণি পাঠক

কিবা এটি কৰাৰ তাড়নাই প্ৰতিটো যৌৱনক টগ্‌বগাই ৰাখে। কিবা এটা, যি অসাধাৰণ। কিবা এটা— যি পৃথক, একক, অনন্য। কোনেই বা নিবিচাৰে হাজাৰজনৰ মাজত নিজৰ এক অনন্য স্থিতি গঢ়ি তুলিবলৈ। কাৰেই বা আকাংক্ষা নাই হাজাৰজনৰ মাজত আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'বলৈ। তাৰুণ্যৰে চিক্‌মিকাই থকা সকলৰ মাজত সেই বাসনা অতি তীব্ৰ, অতি প্ৰৱল। খুবেই স্বাভাৱিক সেই উদ্দীপনা। যৌৱনৰ সিও এক ধৰ্ম।

আহত তেতিয়াই হওঁ, যেতিয়া অনুভৱ কৰো যে বিপুল সম্ভাৱনাৰে পূৰ্ণ সেই শক্তিৰাজিৰ ক'ৰবাত অপচয় ঘটিবলৈ লৈছে। মনবোৰ তেতিয়াই বিষন্ন হৈ পৰে, যেতিয়া দেখো যাৰ ওপৰতে ভৱিষ্যতৰ এখন সুন্দৰ সমাজৰ স্বপ্ন আৰোপিত হৈ আছে, সিয়ে তাৰৈ আওকণীয়া মনোভাব পোষণ কৰি শক্তি ক্ষয় কৰিবলৈ লৈছে কিছুমান অপ্ৰয়োজনত। ভৱিষ্যৎ দৰ্শনৰ ক্ষমতা যেন ক্ৰমে সীমিত হৈ আহিছে এই প্ৰজন্মৰ। অথবা ধৈৰ্যচ্যুতি ঘটিছে দীঘলীয়া পৰিক্ৰমাৰ অন্তত লাভ কৰিব পৰা সুখৰ অফুৰন্ত ভাণ্ডাৰটিলৈ বাট বুলাত। তাৰেই সুযোগ লৈ তাৎক্ষণিক সুখৰ সন্ধান দিব পৰা অলেখ সাধনৰ আৱিৰ্ভাৱ ঘটিছে সমাজ জীৱনত। আজিৰ প্ৰজন্মই তাতেই উবুৰি খাই পৰিছে যেন আজিয়েই শেষ সুযোগ, নহ'লে আজীৱন অভুক্ত হৈয়েই ৰ'ব লাগিব। ভাল-বেয়া, উচিত-অনুচিত বাছ-বিচাৰ কৰাৰ সময় নাই। তাৎক্ষণিক সুখৰ সন্ধানত ভৱিষ্যতৰ সুখৰ এখন-এখনকৈ দুৱাৰ নিজ হাতেৰে বন্ধ কৰি গৈছে। যি সময়ত তেওঁলোকৰ ৰক্তত প্ৰবাহিত হ'ব লাগিছিল ভৱিষ্যতৰ এক সোণালী স্বপ্নময়

## ধ্বংস নে নিৰ্মাণ ? ☐ দায়ী কোন ?

দেশৰ সপোন, তাৰ পৰিৱৰ্তে দেখিবলৈ পাইছো হেৰ'ইন-ব্ৰাউন ছুগাৰৰ তাণ্ডৱ, এইড্‌ছৰ বীজাণুৰ কিল্‌বিলনি।

আজিৰ প্ৰজন্মৰ মনঃস্তত্ত্বক বিশ্লেষণ কৰাটো খুবেই কঠিন হৈ পৰিছে। উপৰুৱাকৈ চালে এনে লাগে যেন মৃত্যুৰ অৱধাৰিতাক সকলোৱে সহজভাৱে মানি ল'বলৈ মানসিকভাৱে সবল হৈ উঠিছে। জীৱনৰ ক্ষণস্থায়িত্বক সকলোৱে যেন মৰ্মে-মৰ্মে উপলব্ধি কৰিছে। যাৰ ফলত সকলোৱে 'চাৰ্বাক'ৰ অনুগামী হৈ পৰিছে। কম সময়ৰ জীৱনটোত উপভোগ্যতাৰ চূড়ান্ত বিন্দুটোক স্পৰ্শ কৰাৰ তাড়নাৰে সেয়েহে এনেদৰে উন্মুখ হৈ পৰিছে।

মাজে মাজে ভাব হয়— চাৰ্বাক দৰ্শন নহয়, ক্যেমু, জাঁ পল ছাৰ্ত্ৰেৰ অস্তিত্ববাদী দৰ্শনৰ দ্বাৰা প্ৰোথিত এই প্ৰজন্ম। না জীৱনৰ প্ৰতি আছে কোনো আগ্ৰহ, না মৃত্যুৰ প্ৰতি কোনো অনুসন্ধিৎসুতা। জীৱন-মৃত্যুৰ প্ৰতি উদাসীন কিছুমান অচিনাকি অচিনাকি চৰিত্ৰ। যদি এয়ে হয় আজিৰ প্ৰজন্মৰ জীৱনবোধৰ বাস্তৱ প্ৰতিফলন, তেন্তে এয়াটো ভৱিষ্যতৰ মানৱ কুলৰ বাবে এক অশনি সংকেত।

কিন্তু গভীৰভাৱে বিশ্লেষণ কৰিলে উপলব্ধি কৰিব পাৰি যে এনে ধাৰণা নিতান্তই অমূলক। মৃত্যুৰ সমীপলৈ আগবঢ়া এই প্ৰজন্মৰ প্ৰতিনিধিলৈ দুচকু মিলাই চালে দেখা যায় তেওঁলোকৰ দুচকুতো লুকাই থাকে জীয়াই থকাৰ এক দুৰ্বাৰ বাসনা। উপভোগ্যতাৰ সঠিক সংজ্ঞা নিৰূপণৰ অক্ষমতাই তেওঁলোকক অনিচ্ছাকৃতভাৱে টানি লৈ যায় আত্মহননৰ পথলৈ। জীৱনটোক তিলতিলকৈ উপভোগ কৰিবলৈ যাওঁতে কেতিয়া গৈনো তেওঁলোক মৃত্যুৰ দুৱাৰডলিত থিয় দিয়ে, সেয়া তেওঁলোকৰ নিজৰেই অজ্ঞাত। এনে মুহূৰ্তত ভাব হয়, জীৱনবোধৰ প্ৰতি সৃষ্টি হোৱা এনে মানসিক বাধাগ্ৰস্ততাৰ কাৰণে দায়ী জানো কেৱল আজিৰ প্ৰজন্মই! সস্তীয়া সুখৰ আধাৰবোৰ সমাজৰ সৰ্বত্ৰ মহামাৰীৰ দৰে বিয়পিবলৈ দি তেনেবোৰৰ পৰা আঁতৰি থাকিবলৈ সতৰ্কবাণী শুনোৱাটো কেনে ধৰণৰ নৈতিকতা! সুখৰ সঠিক সংজ্ঞা এটা শিকাব নোৱাৰাৰ, সঠিক জীৱন দৰ্শন এটা দাঙি ধৰিব নোৱাৰাৰ অক্ষমতা অগ্ৰজসকলৰে নহয়নে! নতুন কম্পিউটাৰ এটাৰ দৰে সম্পূৰ্ণ উকা 'মেমৰী' লৈ জন্ম গ্ৰহণ কৰিছিল আজিৰ প্ৰজন্মই। তাত ভাল-বেয়া সকলো বীজ ৰোপণ কৰিছিল চলিত সমাজ জীৱনে। গতিকে, তেওঁলোকৰ পৰা পোৱা ভাল-বেয়াৰ মিশ্ৰিত ফল শতিকাজোৰা মানৱ সভ্যতাৰে বৰঙণি। পাৰ্থক্য মাথোঁ এটাই। যন্ত্ৰই প্ৰশ্ন নকৰে। কিন্তু ধ্বংসৰ গৰাহলৈ আগবঢ়া এই প্ৰজন্মৰ ওচৰত এদিন সকলোৱেই জবাবদিহি হ'বই লাগিব। ■